জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১০৬/২০২২**

# অসম বিধান সভাত অনুষ্ঠিত ৰাষ্ট্ৰমণ্ডল সংসদীয় সংঘৰ ভাৰত মণ্ডলৰ সন্মিলনত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## ভাৰতবৰ্ষৰ এক সুদীৰ্ঘ আৰু গৌৰৱময় গণতান্ত্ৰিক পৰম্পৰা আছে ঃ মুখ্যমন্ত্ৰী

### যৌথ পদক্ষেপেৰে গণতান্ত্ৰিক পদ্ধতিসমূহক আমি নিৰন্তৰ বিকশাই তুলিব পৰিম ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১১ এপ্ৰিল ঃ** অসম বিধান সভাত অনুষ্ঠিত অষ্টম ৰাষ্ট্ৰমণ্ডল সংসদীয় সংঘৰ ভাৰত মণ্ডল সন্মিলনৰ উদ্বোধনী কাৰ্যসূচীত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কয় যে ভাৰতবৰ্ষৰ এক সুদীৰ্ঘ আৰু গৌৰৱময় গণতান্ত্ৰিক পৰম্পৰা আছে। গণতন্ত্ৰৰ নীতি বেদৰ পৰা উদ্ভৱ হৈছে আৰু বৈদিক যুগৰ পিছত ভাৰতবৰ্ষত বহু সৰু গণৰাজ্যসমূহৰ বৰ্ণনা পোৱা যায় য'ত প্ৰশাসনৰ বিভিন্ন বিষয়ত জনসাধাৰণে একেলগে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশ লৈছিল।

উল্লেখ্য যে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি ৰাষ্ট্ৰমণ্ডল সংসদীয় সংঘৰ ভাৰত মণ্ডলৰ সন্মিলনখন উদ্বোধন কৰে। এই সন্মিলনত ভাৰতবৰ্ষৰ ৰাজ্যিক বিধানসভা আৰু বিধান পৰিষদৰ অধ্যক্ষ আৰু উপাধ্যক্ষ, ৰাষ্ট্ৰমণ্ডল সংসদীয় সংঘৰ কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য, অসম বিধান সভাৰ সদস্য আৰু বহু কেইগৰাকী সাংসদ উপস্থিত থাকে। ৰাষ্ট্ৰমণ্ডল সংসদীয় সংঘৰ অসম ৰাজ্যিক সমিতি আৰু অসম বিধান সভাই এই সন্মিলনৰ আয়োজন কৰিছে।

ৰাষ্ট্ৰমণ্ডল সংসদীয় সংঘৰ কাৰ্যনিৰ্বাহক সমিতিৰ অধ্যক্ষ ইয়ান লিড্‌ল গ্ৰেইনজাৰ, ৰাজ্য সভাৰ উপাধ্যক্ষ হৰিবংশ, অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী আৰু অসম বিধান সভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াও উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে।

মুখ্যমন্ত্ৰীয়ে কয় যে, প্ৰশাসন ব্যৱস্থাত গণতন্ত্ৰক পথপ্ৰদৰ্শক হিচাপে গঢ়ি তুলিবলৈ প্ৰাচীন কালত ভাৰতীয়সকলে সভা, সমিতি নামৰ দুটা অনুষ্ঠান গঢ় দিছিল। অতীতত এই দুটা অনুষ্ঠানে গণতান্ত্ৰিক প্ৰতিষ্ঠানক প্ৰতিনিধিত্ব কৰিছিল। এই দুয়োটা অনুষ্ঠানৰ কথা ঋকবেদ আৰু অথৰ্ববেদত উল্লেখ আছে। এই অনুষ্ঠানৰ মাধ্যমেদি সেই সময়ত ৰজা, মন্ত্ৰী আৰু পণ্ডিতসকলৰ সৈতে আলোচনাৰ অন্তত সিদ্ধান্ত লোৱা হৈছিল। এই কথাই প্ৰতিপন্ন কৰে যে সেই সময়ত ৰাজনীতি কেনেদৰে গণতান্ত্ৰিক নীতিৰে পৰিচালিত হৈছিল। জনসাধাৰণে এক সৎ উদ্দেশ্যৰে সভা আৰু সমিতিত একেলগে বিষয়সমূহ নিষ্পত্তি কৰিছিল। মুখ্যমন্ত্ৰীয়ে কয় যে এটা সিদ্ধান্তত উপনীত হ'বলৈ বিভিন্ন মতাদৰ্শৰ লোকসকলক বিভিন্ন গোটত বিভক্ত কৰা হৈছিল আৰু পাৰস্পৰিক পৰামৰ্শৰ ভিত্তিত সিদ্ধান্ত লোৱা হৈছিল।

তেওঁ লগতে কয় যে প্ৰাচীন ভাৰতীয় ইতিহাসত সৰু গণৰাজ্য সমূহৰ বৰ্ণনা পোৱা যায় য'ত প্ৰশাসনৰ সৈতে সম্পৰ্কিত বিষয়ত আলোচনাৰ মাধ্যমেৰে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত জনসাধাৰণে একেলগে অংশগ্ৰহণ কৰিছিল। অত্ৰেয় ব্ৰাহ্মণ, অশোক স্তম্ভ, সমসাময়িক ঐতিহাসিক লিখনি, বুদ্ধ আৰু জৈন গ্ৰন্থ আৰু মনুস্মৃতিৰ গুৰুত্বপূৰ্ণ লিখনিসমূহত সেই বিষয়ক ঐতিহাসিক প্ৰমাণ পোৱা যায় বুলিও তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে মহাভাৰতত সাধাৰণ লোকৰ সমৱেশৰ কথা উল্লেখ আছে যিসমূহক তেওঁলোকে শান্তি পৰ্বৰ জনসদন বুলি অভিহিত কৰিছিল। এই সদনক সংসদ হিচাপে জনা যায় য'ত ভীষ্ম আৰু যুধিষ্ঠিৰৰ মাজত প্ৰশাসনৰ বিভিন্ন দিশৰ ওপৰত হোৱা আলোচনা নথিভুক্ত কৰিছিল। ইয়াৰ ভিতৰত জনপদৰ সুফলসমূহ আলোচনাত অন্তৰ্ভুক্ত হৈছিল।

মুখ্যমন্ত্ৰীয়ে কয় যে আহোম শাসন কালৰ পৰা অসমত গণতান্ত্ৰিক পৰম্পৰা থকাৰ প্ৰমাণ পোৱা যায়। আহোম ৰাজত্বকালত ৰজাক স্বৰ্গদেউ হিচাপে অভিহিত কৰা হৈছিল আৰু তেওঁ ৰাজ্যৰ মুৰব্বী আছিল যদিও মন্ত্ৰীসকলৰ সৈতে আলোচনা কৰিহে তেওঁ সকলো ধৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। পৰৱৰ্তী সময়ত অসমৰ সমাজ জীৱনত 'এক শৰণ নাম ধৰ্ম'ৰ জৰিয়তে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে একতা আৰু সমতাৰ বীজ ৰোপণ কৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ সামাজিক আৰু আধ্যাত্মিক জীৱনত মহাপুৰুষগৰাকীৰ চিন্তা-চৰ্চ্চাৰে গণতান্ত্ৰিক বাতাৱৰণৰ সূচনা হৈছিল।

অসম বিধান সভাৰ চহকী ঐতিহ্য আৰু গণতান্ত্ৰিক পৰম্পৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসম বিধান সভাই বিগত আঠ দশকে জনসাধাৰণৰ স্বাৰ্থৰ হকে অবিৰতভাৱে মাত মাতি আহিছে। তেওঁ বিধানসভাৰ ইতিহাস আৰু ৰাজ্যৰ কেইবাগৰাকী বিশিষ্ট ৰাজনীতিবিদৰ কথা উল্লেখ কৰি কয় যে এই সদনৰ সদস্যসকলে বিধানসভা গৰিমামণ্ডিত কৰি আহিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে পৰিৱৰ্তিত সময়ৰ সৈতে খোজ মিলাই আৰু বৰ্তমানৰ সময়ৰ প্ৰয়োজনীয়তাক বিবেচনা কৰি সকলোধৰণৰ আধুনিক সুবিধা সন্মিলিত এটা অত্যাধুনিক বিধান সভা ভৱন নিৰ্মাণ কৰাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ লগতে কয় যে ২০২২ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত বিধানসভাৰ এই গৃহটো নিৰ্মাণ হৈ উঠিব বুলি আশা কৰা হৈছে।

মুখ্যমন্ত্ৰীয়ে কয় যে আধুনিক গণতন্ত্ৰত জনসাধাৰণৰ আশা-আকাংক্ষা অনুকূলে নিৰ্বাচিত প্ৰতিনিধিসকলে জনসাধাৰণৰ জীৱনধাৰাক প্ৰভাৱিত কৰা মৌলিক বিষয়সমূহ সমাধানৰ বাবে দায়িত্ব সহকাৰে আগবাঢ়ি আহিব লাগিব। বিধানসভাৰ বিতৰ্কত সক্ৰিয় অংশগ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সদনত দাখিল কৰা বিধেয়ক সমূহৰ আলোচনাৰ সময়ত ইয়াৰ বিভিন্ন দিশসমূহ নিৰ্বাচিত প্ৰতিনিধিসকলে তুলি ধৰিব লাগে। একেসময়তে জনসাধাৰণ উন্নয়ন আৰু কল্যাণ সম্পৰ্কীয় বিষয়সমূহৰ ক্ষেত্ৰত জনসাধাৰণৰ যিসমূহ গণতান্ত্ৰিক অধিকাৰ আছে সেইসমূহ সুনিশ্চিত কৰাৰ দিশতো গুৰুত্ব আৰোপ কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাষ্ট্ৰমণ্ডল সংসদীয় সংঘৰ এই অধিৱেশনত যিবোৰ বিষয় আলোচনা কৰা হ'ব সেই আলোচনাসমূহে গণতান্ত্ৰিক পৰম্পৰাক আৰু অধিক শক্তিশালী কৰাৰ বাবে কাৰ্যসূচী প্ৰস্তুতিত সহায় কৰিব।

যৌথভাৱে কাম কৰা আৰু পৰস্পৰৰ পৰা জ্ঞান আহৰণৰ জৰিয়তে গণতান্ত্ৰিক ব্যৱস্থা আৰু পদ্ধতিক পৰ্যায়ক্ৰমে উন্নয়ন সাধন কৰিব পৰা যায় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমি সকলোৱে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ লক্ষ্যৰে একেলগে কাম কৰিব লাগিব আৰু আমাৰ এই বৃহৎ দেশখনৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াটোক অধিক আগুৱাই নিব লাগিব।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই উদ্বোধনী ভাষণ প্ৰদান কৰাৰ লগতে এই কাৰ্যসূচীত ৰাষ্ট্ৰমণ্ডল সংসদীয় সংঘৰ কাৰ্যনিৰ্বাহক সমিতিৰ অধ্যক্ষ ইয়ান লিড্‌ল গ্ৰেইনজাৰে ভাষণ প্ৰদান কৰে। অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে আদৰণী ভাষণ প্ৰদান কৰা এই কাৰ্যসূচীত অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই শলাগৰ শৰাই আগবঢ়ায়।

**বীঃগঃ / পুঃডেঃ**
**১১-০৪-২০২২**